ক্ৰিয়াপদৰ শ্ৰেণীবিভাগ : বিভিন্ন প্ৰকাৰৰ অতীত কাল, ভাব আৰু পুৰুষবাচক বিভক্তি যুক্ত কৰিলে যিবোৰ পদ পোৱা যায় সেইবোৰেই ক্ৰিয়াপদ। ক্ৰিয়াপদবোৰে কোনো কাম কৰা, হোৱা বা নোহোৱা অৰ্থ প্ৰকাশ কৰে। যেনে —

মই পুৰা সদায় কিতাপ পঢ়োঁ।

জুনামিত বহুত মানুহ **মৰিল**।

আমি গৰমৰ বন্ধত দাৰ্জিলিঙলৈ **যাম**।

বাভা দিবসত বেছি মানুহ নহ'ল।

এই বাক্যকেইটাত ক্ৰমে **পঢ়োঁ** পদে পঢ়া কাম কৰা, **মৰিল** পদে মৃত্যু হোৱাৰ কথা, **যাম** পদে ভৱিষ্যতে যোৱাৰ কথা আৰু **নহ'ল** পদে নোহোৱাৰ কথা প্ৰকাশ কৰিছে। গতিকে **পঢ়োঁ, মৰিল, যাম** আৰু **নহ'ল** ক্ৰিয়াপদ আৰু ইহঁতে উল্লিখিত কামবোৰ সমাপ্ত হোৱা বা নোহোৱা অৰ্থ প্ৰকাশ কৰি প্ৰতিটো বাক্য শেষ হোৱা বুজাইছে।

কিছুমান ক্ৰিয়াপদে ক্ৰিয়াৰ কাৰ্যৰ অসমাপ্তিৰ লগতে বাক্যৰ অসমাপ্তিও বুজায়। বাক্যটো সমাপ্ত হোৱা বা শেষ হোৱা বুজাবলৈ এইবোৰ ক্ৰিয়াপদে আন ক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। যেনে,

মাধৱ স্কুলৰপৰা **আহি** ভাত **খাই** গুৱাহাটীলৈ যাব।

ইয়াত **আহি** আৰু **খাই** ক্ৰিয়াপদে মাধৱৰ স্কুলৰ পৰা অহা আৰু ভাত খোৱা কাৰ্যৰ অসমাপ্তি বুজাইছে আৰু লগতে বাক্যটোও অসমাপ্ত অৰ্থাৎ শেষ নোহোৱা বুজাইছে। বাক্যটো শেষ হ'বলৈ পৰৱৰ্তী 'গুৱাহাটীলৈ যাব' অংশ অপৰিহাৰ্য।

এইদৰে বাক্যৰ অৰ্থ সম্পূৰ্ণ ব্যক্ত হোৱা বা নোহোৱা অথবা বাক্যৰ সমাপ্তি বা অসমাপ্তি, এনে অৰ্থৰ ওপৰত ভিত্তি কৰি ক্ৰিয়াপদক বহল ভাৱে দুটা ভাগত ভগোৱা হয় ঃ

(ক) **সমাপিকা** ক্ৰিয়া

(খ) **অসমাপিকা** ক্ৰিয়া।

**১২.০৫.১ সমাপিকা ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াপদে ক্ৰিয়াৰ কাৰ্যৰ সমাপ্তি বুজোৱাৰ লগতে বাক্যও শেষ হোৱা বুজায়, সেইবোৰেই সমাপিকা ক্ৰিয়া। এনেবোৰ ক্ৰিয়া সাধাৰণতে সদায় বাক্যৰ শেষত বহে। যেনে,

মহন্তই ভাগৱত **পঢ়িছে।**

ইয়াত **পঢ়িছে** ক্ৰিয়াপদে ভাগৱত পঢ়া কাৰ্যৰ লগতে বাক্যটোও শেষ হোৱা বুজাইছে। গতিকে ই সমাপিকা ক্ৰিয়া। ওপৰত উল্লেখ কৰা **পঢ়োঁ, মৰিল, যাম, নহ'ল** আৰু **যাব** প্ৰতিটোৱে সমাপিকা ক্ৰিয়া; কিয়নো ইহঁতে প্ৰতিটো বাক্যৰে অৰ্থ শেষ হোৱা বুজাইছে। সমাপিকা ক্ৰিয়াক সাধ্যা ক্ৰিয়াও বোলা হয়।

বাক্য একোটাত ক্ৰিয়াৰ কৰ্ম থকা বা নথকা অনুযায়ী সমাপিকা ক্ৰিয়া দুবিধ ঃ

(ক) সকৰ্মক ক্ৰিয়া

(খ) অকৰ্মক ক্ৰিয়া

**সকৰ্মক ক্ৰিয়া ঃ** যিবিলাক সমাপিকা ক্ৰিয়াৰ কৰ্ম থাকে, সেই বোৰেই সকৰ্মক ক্ৰিয়া। যেনে,

তুমি বুৰঞ্জী **পঢ়া**। মই অংক **কৰোঁ**।

ইয়াত **পঢ়া** ক্ৰিয়াৰ কৰ্ম **বুৰঞ্জী** আৰু **কৰোঁ** ক্ৰিয়াৰ কৰ্ম **অংক**। কেতিয়াবা একেটা বাক্যতে এটা ক্ৰিয়াৰ দুটা কৰ্ম থাকিব পাৰে। তেতিয়া এটা ক্ৰিয়াৰ মুখ্য কৰ্ম আৰু আনটো গৌণ কৰ্ম হয়। যেনে,

শিক্ষকে **ছাত্ৰক অংক শিকাইছে**।

ইয়াত **শিকাইছে** ক্ৰিয়াৰ দুটা কৰ্ম ঃ **অংক** আৰু **ছাত্ৰক**। শিক্ষকে কি শিকাইছে? উত্তৰ হ'ব **অংক** অৰ্থাৎ অংকৰ লগত **শিকাইছে**ৰ প্ৰত্যক্ষ বা পোনপটীয়া সম্পৰ্ক। গতিকে ই মুখ্য কৰ্ম। আনহাতে 'কাক শিকাইছে' বুলি যদি প্ৰশ্ন কৰা হয়, তেতিয়া উত্তৰ পাম **ছাত্ৰক**; ছাত্ৰৰ লগত **শিকাইছে**ৰ সম্পৰ্ক পৰোক্ষ অৰ্থাৎ পোনপটীয়া নহয়। গতিকে **ছাত্ৰক** 'শিকাইছে' ক্ৰিয়াৰ পৰোক্ষ কৰ্ম বা গৌণ কৰ্ম। ইয়াৰ পৰা দেখা যায় যে সকৰ্মক ক্ৰিয়াটোক কি বা কাক বুলি প্ৰশ্ন কৰিলেই উত্তৰ হিচাপে কৰ্মটো ওলাই পৰে। সাধাৰণতে সকৰ্মক ধাতুৰ পৰাই সকৰ্মক ক্ৰিয়াপদ পোৱা যায়। কৰ্, পঢ়্, লিখ্, শিক্, খা আদি সকৰ্মক ধাতু।

**অকৰ্মক ক্ৰিয়া ঃ** কৰ্ম নথকা সমাপিকা ক্ৰিয়াবোৰেই অকৰ্মক ক্ৰিয়া। সাধাৰণতে কিছুমান ধাতুৰপৰা উদ্ভৱ হোৱা ক্ৰিয়াৰ কৰ্ম নাথাকে ; এনেবোৰ ক্ৰিয়ামূল বা ধাতুক অকৰ্মক ধাতু বোলা হয়। উৰ্, মৰ্, বুৰ্, ডৰ্, উঠ্, বহ্ আদি অকৰ্মক ধাতু আৰু এইবোৰৰ পৰা গঢ় লৈ উঠা **উৰিছে, মৰে, উঠিলোঁ, বহিলোঁ** আৰু **আহিলোঁ** অকৰ্মক ক্ৰিয়া। অকৰ্মক ক্ৰিয়াৰ কৰ্তাত ১মা -এ বিভক্তি যোগ নহয়। যেনে,

**চৰাই উৰে**

**মানুহ মৰে**।

সাধাৰণতে হঁহা, কন্দা, নচা, ভ্ৰমণ, গমন, শয়ন, পতন, মৰণ আদি অৰ্থত ধাতুবোৰ অকৰ্মক হয়। অকৰ্মক ধাতুৰপৰা গঢ়লৈ উঠা অকৰ্মক ক্ৰিয়াপদক দুই প্ৰকাৰে সকৰ্মক ক্ৰিয়া কৰিব পাৰি ঃ

(ক) ক্ৰিয়াৰ অনুৰূপ কৰ্ম সংযোগ কৰি অৰ্থাৎ ধাতুৰ সমগোত্ৰীয় কৰ্ম (cognate object) ব্যৱহাৰ কৰি। যেনে,

তাই **নাচিছে**।

তাই বঢ়িয়া নাচ **নাচিছে**।

ইয়াত প্ৰথম বাক্যৰ **নাচিছে** অকৰ্মক আৰু ক্ৰিয়াৰ অনুৰূপ কৰ্ম 'নাচ' থকাৰ কাৰণে দ্বিতীয় বাক্যৰ **নাচিছে** সকৰ্মক ক্ৰিয়ালৈ ৰূপান্তৰিত হৈছে।

(খ) পাঁচনি ক্ৰিয়া ব্যৱহাৰৰদ্বাৰাও অকৰ্মক ক্ৰিয়া সকৰ্মক কৰিব পাৰি। যেনে,

হৰেণে ৰীতাক **হহুঁৱালে**।

ইয়াত **হাঁহ্** ধাতুত পাঁচনি প্ৰত্যয়-উৱা যোগ হোৱাত **হহুঁৱালে** সকৰ্মক ক্ৰিয়া হৈছে আৰু ইয়াৰ কৰ্ম হৈছে **ৰীতাক**।

**১২.০৫.২ অসমাপিকা ক্ৰিয়া ঃ** যি ক্ৰিয়াই বাক্যৰ অৰ্থ সম্পূৰ্ণভাৱে ব্যক্ত কৰিব